# দৈনিক অসম

গুৱাহাটী, শুকুৰবাৰ, ২৮ আগষ্ট, ২০২৬ | Guwahati, Friday, August 28, 2026



## মাজুলীৰ স্বাস্থ্যসেৱাৰ মান, আন্তঃগাঁথনি নিৰীক্ষণ

**উত্তৰ কমলাবাৰী সত্ৰত দৈ-কোমল চাউলৰ জুতি ল'লে স্বাস্থ্যমন্ত্ৰীয়ে**



**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ২৭ আগষ্ট ঃ** মাজুলীৰ স্বাস্থ্যসেৱাৰ মান আৰু আন্তঃগাঁথনি প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰাৰ উদ্দেশ্যে কালি সন্ধিয়া মাজুলীত উপস্থিত হয় অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল। মন্ত্ৰী সিংহলে আজি পুৱাই উজনি মাজুলীৰ চিৰাম চাপৰিৰ ৫০ খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয়খন পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ অভাৱ-অভিযোগৰ বুজ লয়। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে কৰ্তব্যৰত চিকিৎসক, স্বাস্থ্যকৰ্মী, চিকিৎসাধীন ৰোগী আৰু অভিভাৱকসকলৰ সৈতে পোনপটীয়াকৈ মত-বিনিময় কৰি চিকিৎসা-অভিজ্ঞতা, সমস্যা আৰু প্ৰয়োজনীয়তাসমূহৰ বিষয়ে অৱগত হয়। পৰম্পৰাগত আয়ুৰ্বেদিক চিকিৎসা আৰু আধুনিক এলোপেথিক স্বাস্থ্যসেৱাৰ সু-সমন্বয় ঘটাই মাজুলীৰ প্ৰতিগৰাকী নাগৰিকক নিজৰ জিলাতে মানসম্পন্ন, সহজলভ্য আৰু উন্নত স্বাস্থ্যসেৱা প্ৰদানৰ লক্ষ্যৰে প্ৰত্যক্ষ কৰা সকলো সমস্যা ক্ষিপ্ৰতাৰে সমাধান কৰা হ'ব বুলি তেওঁ আশ্বাস দিয়ে। ইয়াৰ পাছতে মন্ত্ৰী ১৩ পৃষ্ঠাত চাওক

**গোলাঘাট নগৰলৈ ভাবুকি**

## বেদখলকাৰীৰ কবলত হাজো খোৰোং জান



**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**গোলাঘাট, ২৭ আগষ্ট ঃ** গোলাঘাট নগৰৰ পূব দিশত অৱস্থিত ঐতিহাসিক হামদৈ পথাৰত জমা হোৱা পানীখিনি হামদৈ পুলৰ জৰিয়তে হাজো খোৰোং জানেৰে কেইবা কিলোমিটাৰ বৈ গৈ ধনশিৰি নদীত পৰিছে। এই জানখন গোলাঘাট পৌৰসভাৰ ৮ আৰু ১০ নং ৱাৰ্ডৰ লগতে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ সন্মুখেৰে গৈ বিপিন ফুকন নগৰ আৰু ১৩ পৃষ্ঠাত চাওক

# জিলাই জিলাই আছুৰ প্ৰতিবাদ

### অত্যাৱশ্যকীয় সামগ্ৰীৰ ধাৰাবাহিক দামবৃদ্ধিত জুৰুলা সৰ্বস্তৰৰ লোক ■ শীঘ্ৰে দাম হ্ৰাস নকৰিলে ভয়াৱহ গণ আন্দোলনৰ হুংকাৰ




**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ২৭ আগষ্ট ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় দামবৃদ্ধিৰ বিৰুদ্ধে আজি ডিব্ৰুগড়ত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে সদৌ অসম ছাত্ৰ সন্থাই (আছু)। দামবৃদ্ধি ৰোধ আৰু সাধাৰণ ৰাইজক সকাহ দিয়াৰ দাবীত আছুৰ নেতৃত্বত উলিওৱা হয় এটা বিক্ষোভ সমদল। আছুৰ ডিব্ৰুগড়ৰ কাৰ্যালয়ৰ পৰা উলিওৱা প্ৰতিবাদী সমদলটোৱে চহৰৰ বিভিন্ন পথ পৰিভ্ৰমণ কৰি ডিব্ৰুগড় জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত উপস্থিত হয়। প্ৰতিবাদকাৰীসকলে চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্লʼগান দি পৰিৱেশ উত্তাল কৰি তোলে। অত্যাৱশ্যকীয় সামগ্ৰীৰ ধাৰাবাহিক দামবৃদ্ধিয়ে সাধাৰণ জনতাক জুৰুলা কৰা বুলি অভিযোগ কৰি আছু নেতৃত্বই এয়া নিয়ন্ত্ৰণৰ বাবে চৰকাৰক শীঘ্ৰে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

**গোলাঘাটত**

**গোলাঘাটৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে অসম চৰকাৰ আৰু যোগান বিভাগ। ফলত এতিয়া নিৰুপায় হৈ পৰিছে সাধাৰণ জনতা। এফালে ভয়াৱহ বানে ৰাইজক অৰ্থনৈতিকভাৱে বিধ্বস্ত কৰি পেলাইছে। তাৰ পৰিপ্ৰেক্ষিতত আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাই ১৩ পৃষ্ঠাত চাওক

## কাছাৰত ১৬৮ কোটিৰ য়াবা টেবলেট জব্দ

**ধুবুৰীত ড্ৰাগছসহ এজনক আটক**

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিলচৰ, ২৭ আগষ্ট ঃ** কাছাৰৰ পৰা আছাম ৰাইফলছ আৰু ডি আৰ আয়ে ১৬৮ কোটি টকাৰ য়াবা টেবলেট জব্দ কৰিবলৈ সক্ষম হৈছে। আছাম ৰাইফলছে এটা বিবৃতিত জনোৱা মতে, ২৫ আৰু ২৬ আগষ্টত আছাম ৰাইফলছ আৰু ডি আৰ আয়ে কাছাৰ জিলাৰ লক্ষীপুৰ সমষ্টিৰ জুঝাং পাহাৰ অঞ্চলত যৌথ অভিযান চলাইছিল। এই অভিযানত ৬০ কিলোগ্ৰামৰ প্ৰায় ৫.৬ লাখ য়াবা টেবলেট উদ্ধাৰ কৰা হৈছে। উদ্ধাৰ হোৱা ঔষধসমূহৰ ১৩ পৃষ্ঠাত চাওক

## আৰক্ষীৰ বিৰুদ্ধে প্ৰতিবাদ নাথ-যোগী ছাত্ৰ সন্থাৰ

### সোধা-পোছাৰ নামত নিৰ্মম অত্যাচাৰ যুৱকক



**দৈনিক অসমৰ প্ৰতিনিধি**

**বঙাইগাঁও, ২৭ আগষ্ট ঃ** এগৰাকী নাবালিকাৰ নিৰুদ্দেশৰ ঘটনাত জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে এজন নিৰীহ যুৱকক সোধা-পোছাৰ নামত আটক কৰি নিৰ্মমভাৱে শাৰীৰিক অত্যাচাৰ চলোৱা কাৰ্যক নিন্দা কৰাৰ লগতে এনে কাৰ্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাই। বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত আজি এখন সংবাদমেল সম্বোধন কৰি ছাত্ৰ সংগঠনটোৰ সভাপতি অৰবিন্দ নাথে কয় যে যোৱা ৬ আগষ্টত বঙাইগাঁৱৰ বিদ্যাপুৰৰ ১৩ পৃষ্ঠাত চাওক

**ৰঙাপৰাত হাতী-মানুহৰ সংঘাত অব্যাহত**

## নামগাঁৱত বন্যহস্তীৰ আক্ৰমণত মাতৃ-কন্যা আহত



**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙাপৰা, ২৭ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত ক্ৰমাৎ তীব্ৰতৰ হৈ পৰিছে হাতী-মানুহৰ সংঘাত। খাদ্য আৰু আশ্ৰয়ৰ সন্ধানত বনাঞ্চল এৰি জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীৰ জাকে ৰঙাপৰাৰ বিভিন্ন ঠাইত উপদ্ৰৱ চলাই অহাত আতংকিত হৈ পৰিছে স্থানীয় ৰাইজ। তেনে সময়তে ৰঙাপৰাৰ নামগাঁও চাহ বাগিচাত নিশা দুটা বনৰীয়া হাতীয়ে এটা বাসগৃহৰ ক্ষতিসাধন কৰাত নিদ্ৰাৰত অৱস্থাত থকা মাতৃ-কন্যা গুৰুতৰভাৱে ১৩ পৃষ্ঠাত চাওক

**উত্তৰ-পূব ভাৰত আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা**

## গুঃ বিশ্ববিঃৰ অনুপ্ৰেৰণা মহন্ত শ্ৰেষ্ঠ তাৰ্কিক, দলীয় শ্ৰেষ্ঠত্ব কটন বিশ্ববিদ্যালয়ৰ




**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**সোণাপুৰ, ২৭ আগষ্ট ঃ** কামৰূপ মহানগৰ জিলাৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান সোণাপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ উদ্যোগত আজি উত্তৰ-পূব ভাৰত তৰ্ক প্ৰতিযোগিতা সফলতাৰে অনুষ্ঠিত হয়। 'উন্নয়নৰ অছিলাৰে প্ৰাকৃতিক সম্পদৰ শোষণে উত্তৰ-পূব ভাৰতৰ দুৰ্যোগপ্ৰৱণতা অধিক ভয়াৱহ হোৱাৰ বাবে প্ৰত্যক্ষভাৱে দায়ী'— এই ১৩ পৃষ্ঠাত চাওক


**সেন্ট্ৰল বেংক অফ ইণ্ডিয়া / Central Bank of India** — CENTRAL TO YOU SINCE 1911

আঞ্চলিক কাৰ্যালয়-গুৱাহাটী, ৩য় মহলা, চেন্ট্ৰেল বেংক বিল্ডিং, ভঙাগড়, গুৱাহাটী-৭৮১০০৫

**লীজত চৌহদৰ বাবে নিবিদা/প্ৰস্তাৱৰ আহ্বান**

চেন্ট্ৰেল বেংক অৱ ইণ্ডিয়াক **অসমৰ ৰাজ্যৰ দিছপুৰ এলেকাত দিছপুৰ শাখাৰ এটিএমৰ** বাবে **৫.৯৪ৰ পৰা ৯.২৯ বৰ্গ মিটাৰ (৬৪-১০০ বৰ্গফুট)** কাৰ্পেট এলেকাৰ, ইতিমধ্যে দখলৰ বাবে সাজু/১ মাহৰ ভিতৰত দখলৰ বাবে সাজু হ'বলগীয়া এটিএম চৌহদৰ প্ৰয়োজন, পৰ্যাপ্ত পাৰ্কিং সুবিধাৰ সৈতে তলৰ মহলাত থকা স্থানক অগ্ৰাধিকাৰ দিয়া হ'ব। অনুগ্ৰহ কৰি কোনো দালাল বা মধ্যভোগীয়ে যোগাযোগ নকৰিব। চৰকাৰী/অৰ্ধ-চৰকাৰী সংস্থা বা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক অগ্ৰাধিকাৰ দিয়া হ'ব। অনুগ্ৰহ কৰি ৱেবছাইট http://www.centralbankofindia.co.in ৰ পৰা ফৰ্মেট/চৰ্তাৱলী আৰু নিয়মাৱলী ডাউনলোড কৰক অথবা কাৰ্যালয়ৰ সময়ত চেন্ট্ৰেল বেংক অৱ ইণ্ডিয়াৰ দিছপুৰ শাখা/আঞ্চলিক কাৰ্যালয়, ৩য় মহলা, চেন্ট্ৰেল বেংক বিল্ডিং, শক্তিগড় পথ, ভঙাগড়, গুৱাহাটী-৭৮১০০৫ৰ পৰা সংগ্ৰহ কৰিব পাৰিব। প্ৰস্তাৱসমূহ জমা দিয়াৰ অন্তিম তাৰিখ **১৬.০৯.২০২৬ৰ বিয়লি ৫.০০ বজালৈ**।

স্বাক্ষৰ/- **আঞ্চলিক মুৰব্বী**, আঞ্চলিক কাৰ্যালয়, গুৱাহাটী



**HDFC BANK**

**এইচ ডি এফ চি বেংক লিমিটেড**

**খানাপাৰা শাখা ঃ প্ৰথম মহলা, স্বাগতা এনিভিছন, কৃষি কাৰ্যালয়ৰ বিপৰীতে, জি এছ ৰোড, ছয় মাইল, গুৱাহাটী-৭৮১০২২**
**ফোন ঃ 0361-7101800 CIN L65920MH1994PLC080618 ৱেবছাইট ঃ www.hdfcbank.com**

**দখল জাননী**
**(অচল সম্পত্তিৰ বাবে)**

যিহেতু নিম্নস্বাক্ষৰকাৰীজন, **এইচ ডি এফ চি বেংক লিমিটেডৰ** (পূৰ্বৰ এইচ ডি এফ চি লিমিটেড, যি মাননীয় এনচিএলটি, মুম্বাইৰ ১৭ মাৰ্চ, ২০২৩ তাৰিখৰ আদেশযোগে অনুমোদিত একত্ৰীকৰণ আঁচনি অনুসৰি এইচ ডি এফ চি বেংক লিমিটেডৰ সৈতে একত্ৰিত হৈছে) (**এইচ ডি এফ চি**) অনুমোদিত বিষয়া হিচাপে, বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্গঠন আৰু প্ৰতিভূতি স্বাৰ্থ বলবৎকৰণ আইন, ২০০২ (উক্ত আইন)ৰ অধীনত আৰু ধাৰা ১৩(১২)ৰ সৈতে প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২ৰ বিধি ৩ অনুসৰি প্ৰদান কৰা ক্ষমতা কাৰ্যকৰী কৰি উক্ত আইনখনৰ ধাৰা ১৩(২)ৰ অধীনত দাবী জাননী জাৰি কৰি তলত উল্লিখিত ঋণগ্ৰাহক/আইনী উত্তৰাধিকাৰী/আইনী প্ৰতিনিধিসকলক উক্ত জাননীসমূহত উল্লেখ কৰা প্ৰযোজ্য হাৰত সুত, আনুষংগিক ব্যয়, খৰচ, মাচুল আদি পৰিশোধৰ তাৰিখ অথবা আদায়ৰ তাৰিখলৈকে দিবলগীয়া ধনৰাশিসহ উক্ত জাননী জাৰি হোৱাৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনোৱা হৈছিল।

| ক্ৰমিক নং | ঋণগ্ৰাহকৰ নাম(সমূহ) | পৰিশোধযোগ্য বকেয়া ধনৰাশি | দাবী জাননীৰ তাৰিখ | দখলৰ তাৰিখ | অচল সম্পত্তি (সমূহ)/সুৰক্ষিত সম্পত্তি(সমূহ)ৰ বিৱৰণ |
|---|---|---|---|---|---|
| ১ | শ্ৰী ৰাইনুল আলী | ৩০-০৪-২০২৬ তাৰিখলৈকে ৩৭,৯৪,০৬৬/- টকা | ২৫-মে-২০২৬ | ২৪-আগষ্ট-২০২৬ (প্ৰতীকী) | অসমৰ নলবাৰী জিলাৰ, আৰক্ষী থানা-মুকালমুৱা, বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অধীনস্থ, বৰক্ষেত্ৰী মৌজাৰ নাৰায়ণপুৰ গাঁৱৰ দাগ নং-৫৮০ আৰু পট্টা নং-১০০ অন্তৰ্গত ৩ (তিনি) কঠা (৮.০৩ আৰ) পৰিমাণৰ মাটিৰ সম্পূৰ্ণ অংশ, যাৰ চাৰিসীমা ঃ উত্তৰে- নাফিল আলী, দক্ষিণে- পথ, পূবে- তাইব আলী, পশ্চিমে- ফাৰমুজ, লগতে উক্ত মাটিৰ ওপৰত বৰ্তমান আৰু ভৱিষ্যতে থকা সকলো নিৰ্মাণ। |
| ২ | শ্ৰী ধনমুন দাস<br>শ্ৰীমতী ৰুবি কলিতা | ৩০-০৪-২০২৬ তাৰিখলৈকে ৪৫,১৪,০৮৯/- টকা | ২৯-মে-২০২৬ | ২৪-আগষ্ট-২০২৬ (প্ৰতীকী) | ১ কঠা, ৪ লেচা পৰিমাণৰ মাটি, দাগ নং-১২২৩, পট্টা নং-১১০৮ অন্তৰ্গত, গাঁও-নিজ হাজো, চক্ৰ আৰু মৌজা-হাজো, ষ্ট্ৰীট নিজ হাজো পানীপাৰা, জিলা-কামৰূপ, পিন-৭৮১১০২ত অৱস্থিত; পূবে- ৰাজেন দাস, পশ্চিমে- পথ, উত্তৰে- বাবুল চন্দ্ৰ দাস, দক্ষিণে- সুৰেন চন্দ্ৰ দাস আৰু উক্ত মাটিৰ ওপৰত বৰ্তমান আৰু ভৱিষ্যতে থকা সকলো নিৰ্মাণ। |
| ৩ | শ্ৰী ৰাকেশ পাঠক | ৩১-০৩-২০২৬ তাৰিখলৈকে ৪৫,০৯,৫৬৩/- টকা | ৩০-এপ্ৰিল-২০২৬ | ২৫-আগষ্ট-২০২৬ (প্ৰতীকী) | ফ্লেট/ইউনিট বি-১, যাৰ মজিয়াৰ ক্ষেত্ৰফল ১৫০০ বৰ্গফুট কম-বেছি, ফ্লেটটোৰ ছুপাৰ বিল্ট-আপ এৰিয়া, লগতে সাধাৰণ ব্যৱহাৰ আৰু উপভোগৰ ক্ষেত্ৰফল (মাটি), য'ত ৩ (তিনি)টা শোৱনি কোঠা, এটা বহা তথা আহাৰ গ্ৰহণৰ কোঠা, দ্বিতীয় মহলাত দুটা শৌচাগাৰ আৰু তল মহলাত এটা গাড়ী পাৰ্কিং স্থান অন্তৰ্ভুক্ত, স্কোপ এনক্লেভ নামেৰে জনাজাত বহুমহলীয়া অট্টালিকাৰ, যিটো অসমৰ কামৰূপ জিলাৰ খাৰঘুলি গাঁও আৰু উলুবাৰী মৌজাৰ অধীনস্থ দাগ নং-৫১৫, কে পট্টা নং-৬২ৰ ১কঠা ৫ লেচা, কম-বেছি পৰিমাণৰ মাটিৰ ওপৰত নিৰ্মাণাধীন, আৰু যাৰ চাৰিসীমা ঃ উত্তৰে- লালছিং এলপি স্কুল, দক্ষিণে- প্ৰদীপ বৰুৱা, পূবে- ১৮ ফুট বহল পথ, পশ্চিমে- বসন্ত বৰুৱা। |
| ৪ | শ্ৰী অভিষেক শৰ্মা | ৩০-০৪-২০২৬ তাৰিখলৈকে ৫,৪৯,২২৭/- টকা | ২৫-মে-২০২৬ | ২৫-আগষ্ট-২০২৬ (প্ৰতীকী) | প্ৰথম মহলাত অৱস্থিত ফ্লেট নং-৩ডি, যাৰ মজিয়াৰ ক্ষেত্ৰফল ১১৯৪ বৰ্গফুট, "কৃপাঞ্জলি এনক্লেভ" নামৰ অট্টালিকাৰ, য'ত সাধাৰণ স্থানসহ ৩ কঠা ১৫ লেচা (প্ৰায় ৯.৭৫ আৰ) পৰিমাণৰ মাটিৰ অবিভক্ত আনুপাতিক অংশ অন্তৰ্ভুক্ত, কে পট্টা নং-১৯৪(অ')১৪৩৬(এন), দাগ নং-১৬৮(অ') ১০৮২(এন), দাৰন্ধা গাঁও, মৌজা-বেলতলাৰ অধীনস্থ, জিলা-কামৰূপ, অসম, জিএমচি ৱাৰ্ড নং-৬০ আৰু যাৰ চাৰিসীমা ঃ উত্তৰে- শ্ৰী সুভাষ মজুমদাৰৰ মাটি, দক্ষিণে- বলেন পাঠকৰ মাটি, পূবে-পথ, পশ্চিমে- শ্ৰী মহাবীৰ জৈনৰ মাটি, লগতে উক্ত মাটিৰ ওপৰত বৰ্তমান আৰু ভৱিষ্যতে থকা সকলো নিৰ্মাণ। |
| ৫ | শ্ৰী অশোক কুমাৰ বিষয়া | ৩১-১২-২০২৫ তাৰিখলৈকে ৭,৩২,৯২৬/- টকা | ২৪-জানুৱাৰী-২০২৬ | ২৬-আগষ্ট-২০২৬ (প্ৰতীকী) | ১৫ বিঘা ৩ লেচাৰ ভিতৰত ২ বিঘা পৰিমাণৰ মাটি, এফ এছ গ্ৰাণ্ট পট্টা নং-১১ দাগ নং-৩৬/৫২ (অংশ) অন্তৰ্গত, মৌজা-শিলাসিন্দুৰীঘোপাৰ অধীনস্থ ৰাজহ গাঁও বৰচন্দ্ৰত অৱস্থিত। |

* সকলো প্ৰযোজ্য হাৰত পৰৱৰ্তী সুত, আনুষংগিক ব্যয়, খৰচ, মাচুল আদি পৰিশোধ অথবা আদায়ৰ তাৰিখলৈকে যোগ হ'ব।

কিন্তু, যিহেতু ওপৰত উল্লিখিত ঋণগ্ৰাহকসকলে পৰিশোধযোগ্য ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হৈছে, সেয়ে ওপৰত উল্লিখিত ঋণগ্ৰাহকসকলক বিশেষভাৱে আৰু সাধাৰণ জনসাধাৰণক এই জাননীৰ জৰিয়তে জনোৱা হৈছে যে, অনুমোদিত বিষয়াই উক্ত আইনৰ ধাৰা ১৩(৪)ৰ সৈতে প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২ৰ বিধি ৮ অনুসৰি প্ৰদত্ত ক্ষমতাবলত ওপৰত উল্লিখিত তাৰিখসমূহত উল্লিখিত অচল সম্পত্তি/সুৰক্ষিত সম্পত্তিসমূহৰ প্ৰতীকী দখল গ্ৰহণ কৰিছে।

ওপৰত উল্লিখিত ঋণগ্ৰাহকসকল আৰু সাধাৰণ জনসাধাৰণক সতৰ্ক কৰা হৈছে যে, উল্লিখিত অচল সম্পত্তি/সুৰক্ষিত সম্পত্তিসমূহৰ সৈতে কোনো ধৰণৰ লেনদেন নকৰিব। উক্ত অচল সম্পত্তি/সুৰক্ষিত সম্পত্তিসমূহৰ সৈতে যিকোনো লেনদেন এইচ ডি এফ চিৰ বন্ধকী স্বাৰ্থৰ অধীনত হ'ব।

ঋণগ্ৰাহকসকলৰ দৃষ্টি উক্ত আইনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮)ৰ বিধানসমূহলৈ আকৰ্ষণ কৰা হৈছে, য'ত সুৰক্ষিত সম্পত্তি উদ্ধাৰৰ বাবে উপলব্ধ সময়সীমাৰ বিষয়ে উল্লেখ আছে।

প্ৰস্তুত কৰা পঞ্চনামাৰ প্ৰতিলিপি নিম্নস্বাক্ষৰকাৰীৰ ওচৰত উপলব্ধ আছে আৰু সংশ্লিষ্ট ঋণগ্ৰাহকসকলক সাধাৰণ কাৰ্যালয়ৰ সময়ত যিকোনো কৰ্মদিৱসত নিম্নস্বাক্ষৰকাৰীৰ পৰা নিজ নিজ প্ৰতিলিপি সংগ্ৰহ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

**স্থান ঃ গুৱাহাটী**
**তাৰিখ ঃ ২৮.০৮.২০২৬**

**এইচ ডি এফ চি বেংক লিমিটেডৰ হৈ**
**স্বা/- অভিষেক আগৰৱাল**
**অনুমোদিত বিষয়া**

পঞ্জীয়নকৃত কাৰ্যালয় ঃ এইচ ডি এফ চি বেংক হাউচ, সেনাপতি বাপত মাৰ্গ, ল'ৱাৰ পাৰেল (ৱেষ্ট), মুম্বাই-৪০০০১৩



**অনলাইন নিবিদা জাননী**

২০২৬-২৭ বৰ্ষৰ বাবে চৰাইদেউ জিলাৰ **জিলা পৰিষদ** (ZP), **আঞ্চলিক পঞ্চায়ত** (AP) **আৰু গাঁও পঞ্চায়ত** (GP)-ৰ অধীনস্থ **গ্ৰাম্য হাটসমূহৰ বন্দোৱস্তৰ** বাবে অনলাইন নিবিদা (Online Tender) আহ্বান কৰা হৈছে। আগ্ৰহী আৰু যোগ্য নিবিদাদাতাসকলক চৰকাৰী নিবিদা পৰ্টেল **www.cprd.assam.gov.in/market**ৰ জৰিয়তে অনলাইন নিবিদা দাখিল কৰিবলৈ অনুৰোধ জনোৱা হৈছে। অধিক তথ্য বা সহায়ৰ বাবে নিবিদাদাতাসকলে কাৰ্যালয় সময়ত সংশ্লিষ্ট **জিলা পৰিষদ/আঞ্চলিক পঞ্চায়ত/গাঁও পঞ্চায়ত** কাৰ্যালয়ত যোগাযোগ কৰিব পাৰে অথবা উক্ত ৱেবছাইট পৰিদৰ্শন কৰিব পাৰে।

**মুখ্য কাৰ্যবাহী বিষয়া**
**DIPR/CF/DA/1378/28-Aug-26** **চৰাইদেউ জিলা পৰিষদ, সোণাৰি**



**SBI — ষ্টেট বেংক অৱ ইণ্ডিয়া**

টংলা শাখা, টংলা, জিলা-ওদালগুৰি, অসম, ৭৮৪৫২১

**পৰিশিষ্ট-৫**

**(বিধি-৮(১))**
**দখলী জাননী (অস্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু, নিম্নস্বাক্ষৰকাৰী ষ্টেট বেংক অৱ ইণ্ডিয়াৰ কৰ্তৃত্বশীল বিষয়াই বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰগঠন তথা প্ৰতিভূতি স্বাৰ্থ বলবৎকৰণ আইন, ২০০২ৰ অধীনত আৰু প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২ৰ বিধি ৩ৰ সৈতে পঠিত ধাৰা ১৩ (২)ৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **১৭.০৩.২০২৬** তাৰিখে এখন দাবী জাননী জাৰি কৰি ঋণগ্ৰহীতা **ব্ৰজিল বসুমতাৰী, পিতা-বিমল বসুমতাৰী**ক উক্ত জাননীত উল্লেখিত ধনৰাশি অৰ্থাৎ **৫০,৫২,০০৪.০০/- টকা (পঞ্চাশ লাখ বাৱন্ন হাজাৰ চাৰি টকা মাত্ৰ)** আৰু **১৭.০৩.২০২৬** তাৰিখৰ পৰা সুত, উক্ত জাননী প্ৰাপ্তিৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনাইছিল।

ঋণগ্ৰহীতাই উক্ত ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হোৱাত, ইয়াৰ দ্বাৰা ঋণগ্ৰহীতা তথা সাধাৰণ জনসাধাৰণক জনোৱা হৈছে যে, নিম্নস্বাক্ষৰকাৰীয়ে উক্ত আইনখনৰ ধাৰা ১৩ (৪)ৰ সৈতে পঠিত উক্ত বিধিসমূহৰ বিধি ৮ অনুসৰি তেওঁৰ ওপৰত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **২০২৬ চনৰ ২৪** আগষ্ট তাৰিখে তলত বৰ্ণনা কৰা সম্পত্তিৰ দখল গ্ৰহণ কৰিছে।

ঋণগ্ৰহীতাক বিশেষভাৱে আৰু সাধাৰণ জনসাধাৰণক সাধাৰণভাৱে ইয়াৰ দ্বাৰা সতৰ্ক কৰা হৈছে যে, উক্ত সম্পত্তিৰ সৈতে কোনো ধৰণৰ লেনদেন নকৰিব আৰু উক্ত সম্পত্তিৰ সৈতে কৰা যিকোনো লেনদেন ৪৮,৬৫,৫০৯.০০/- টকা আৰু ইয়াৰ ওপৰত প্ৰযোজ্য সুতৰ ধনৰাশিৰ বাবে **ষ্টেট বেংক অৱ ইণ্ডিয়া**ৰ অনুকূলে থকা চাৰ্জৰ অধীনত থাকিব।

সুৰক্ষিত সম্পত্তি মুক্ত কৰাৰ বাবে ঋণগ্ৰহীতা/জামিনদাৰৰ বাবে উপলব্ধ সময়ৰ সন্দৰ্ভত এছএআৰএফএইএছআই আইনখনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮)ৰ বিধানসমূহলৈ ঋণগ্ৰহীতাৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে।

**অস্থাৱৰ সম্পত্তিৰ বিৱৰণ**

দৰোগাখাট গাঁও, মাজিকুছি মৌজা, খৈৰাবাৰী চক্ৰ আৰু পঞ্জীয়নভুক্ত কাৰ্যালয়-খৈৰাবাৰী, জিলা-ওদালগুৰি, বিটিআৰ (অসম)ৰ দাগ নং ৮১৭, পি.পি. নং ০৩ৰ অন্তৰ্গত ৩ বিঘা-৩ কঠা-১২ লেচা পৰিমাণৰ মাটিৰ সম্পূৰ্ণ অংশ আৰু অংশবিশেষ। সম্পত্তিৰ গৰাকীঃ শ্ৰী ব্ৰজিল বসুমতাৰী। চাৰিসীমাঃ উত্তৰে- দুলাল দে, দক্ষিণে- পিডব্লিউডি ৰোড, পূবে- অৰুণ বড়ো, পশ্চিমে- ডং।

তাৰিখঃ ২৪.০৮.২০২৬
স্থানঃ দৰং

**কৰ্তৃত্বশীল বিষয়া**
**ষ্টেট বেংক অৱ ইণ্ডিয়া**



**যূকো বৈংক — UCO BANK**

(ভাৰত চৰকাৰৰ এটা প্ৰতিষ্ঠান)
আপোনাৰ বিশ্বাসক সন্মান জনাওঁ
**শিলপুখুৰী শাখা (০৫৩৩)**
**জি.এন.বি. ৰোড, শিলপুখুৰী, গুৱাহাটী- ৭৮১০০৩**
**ফোন নংঃ ৮৩৩৭০-৭৩২৭৫, ই-মেইলঃ silpuk@ucobank.co.in**

**পৰিশিষ্ট-৪**
**(বিধি-৮(১))**
**দখলী জাননী**
**চলিত সম্পত্তিৰ বাবে**

যিহেতু, নিম্নস্বাক্ষৰকাৰী **ইউকো বেংক, শিলপুখুৰী শাখাৰ** কৰ্তৃত্বশীল বিষয়াই বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰগঠন তথা প্ৰতিভূতি স্বাৰ্থ বলবৎকৰণ আইন, ২০০২ আৰু প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২ৰ বিধি ৩ৰ সৈতে পঠিত ধাৰা ১৩(১২)ৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি ০৪.০৬.২০২৬ তাৰিখে এখন দাবী জাননী জাৰি কৰি ঋণগ্ৰহীতা/জামিনদাৰ **মেছাৰ্ছ-ৰিডা এণ্টাৰপ্ৰাইজেছ, অংশীদাৰঃ ১. শ্ৰী নুৰুদ্দিন আহমেদ ২. শ্ৰী ছাহাবুদ্দিন আহমেদ আৰু জামিনদাৰ শ্ৰী দিনেশ দাস, ঘৰ নং-০৭, জন পথ, খানাপাৰা, গুৱাহাটী**-ক উক্ত জাননীত উল্লেখিত ধনৰাশি অৰ্থাৎ **১৭.০৫.২০২৬** তাৰিখলৈকে **৪,৯৪,২৯,৭৪৮.০০ টকা (চাৰি কোটি চৌৰানব্বৈ লাখ উনত্ৰিশ হাজাৰ সাতশ আঠচল্লিশ টকা মাত্ৰ)**, য'ত **৩০.০৪.২০২৬** তাৰিখলৈকে ডেবিট কৰা সুত অন্তৰ্ভুক্ত আছে, উক্ত জাননী প্ৰাপ্তিৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনাইছিল।

ঋণগ্ৰহীতা আৰু/অথবা জামিনদাৰে উক্ত ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হোৱাত, ইয়াৰ দ্বাৰা ঋণগ্ৰহীতা আৰু/অথবা জামিনদাৰ তথা সাধাৰণ জনসাধাৰণক জনোৱা হৈছে যে, নিম্নস্বাক্ষৰকাৰীয়ে আইনখনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৪)ৰ সৈতে পঠিত প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২ৰ বিধি ৮ অনুসৰি প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **২৫.০৮.২০২৬** তাৰিখে তলত বৰ্ণনা কৰা সম্পত্তিৰ দখল গ্ৰহণ কৰিছে।

ঋণগ্ৰহীতা আৰু/অথবা জামিনদাৰক বিশেষভাৱে আৰু সাধাৰণ জনসাধাৰণক সাধাৰণভাৱে ইয়াৰ দ্বাৰা সতৰ্ক কৰা হৈছে যে, উক্ত সম্পত্তিৰ সৈতে কোনো ধৰণৰ লেনদেন নকৰিব আৰু উক্ত সম্পত্তিৰ সৈতে কৰা যিকোনো লেনদেন **ইউকো বেংক, শিলপুখুৰী শাখাৰ** অনুকূলে **১৭.০৫.২০২৬** তাৰিখলৈকে **৪,৯৪,২৯,৭৪৮.০০ টকা (চাৰি কোটি চৌৰানব্বৈ লাখ উনত্ৰিশ হাজাৰ সাতশ আঠচল্লিশ টকা মাত্ৰ)**, য'ত ৩০.০৪.২০২৬ তাৰিখলৈকে ডেবিট কৰা সুত অন্তৰ্ভুক্ত আছে, লগতে ইয়াৰ ওপৰত প্ৰযোজ্য সুতৰ মাচুল আৰু ব্যয়ৰ দাবীৰ অধীনত থাকিব।

ঋণগ্ৰহীতা আৰু/অথবা জামিনদাৰৰ দৃষ্টি আইনখনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮)ৰ বিধানলৈ আকৰ্ষণ কৰা হৈছে, য'ত সুৰক্ষিত সম্পত্তি মুক্ত কৰাৰ বাবে উপলব্ধ সময়ৰ বিষয়ে উল্লেখ আছে।

**চলনশীল/অচল সম্পত্তিৰ বিৱৰণঃ অনুসূচী- গ**

অংশ-১ স্থলীত থকা কাম চলি থকা সামগ্ৰীকে ধৰি সমগ্ৰ চলিত সম্পত্তিৰ ওপৰত হাইপোথেকেচন চাৰ্জ। প্ৰতিষ্ঠানটোৰ বৰ্তমান আৰু ভৱিষ্যতৰ সমগ্ৰ মজুত সামগ্ৰী, প্ৰাপ্য ধনৰাশি, বিল আৰু অন্যান্য চাৰ্জযোগ্য চলিত সম্পত্তিৰ ওপৰত হাইপোথেকেচন আৰু ৯০ দিনতকৈ পুৰণি নোহোৱা বুক ডেটছৰ ওপৰত হাইপোথেকেচন।

**তাৰিখ ঃ ২৫.০৮.২০২৬**
**স্থান ঃ বৰপথাৰ**

**কৰ্তৃত্বশীল বিষয়া**
**ইউকো বেংক**



**পাঞ্জাব নেচনেল বেংক / punjab national bank** (A Govt. of India Undertaking)

**সম্পত্তি পুনৰুদ্ধাৰ ব্যৱস্থাপনা শাখা, গুৱাহাটী,**
**হেম বৰুৱা ৰোড, পাণবজাৰ, গুৱাহাটী, অসম-৭৮১০০১, ই-মেইলঃ cs8231@pnb.bank.in**

প্ৰসংগ নং ARMB/GUWAHATI/E-Auction/sale-notice/01/2026-27 — **দিনাংক ঃ ২৭.০৮.২০২৬**

**স্থাৱৰ/অস্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলৱৎকৰণ) নিয়মাবলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা জনসাধাৰণক সাধাৰণভাৱে আৰু বিশেষকৈ ঋণী (সকলক)/অংশীদাৰ (সকলক)/সত্ত্বাধিকাৰী(সকলক)/বন্ধকদাৰ (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহৰ বেংক/ চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা নিৰ্মাণমূলক/কায়িক/প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট ঋণী (সকল) আৰু জামিনদাৰ (সকল)ৰ পৰা বেংক/চিকিউৰ্ড ক্ৰেডীটৰৰ বকেয়া ধন পুনৰ আদায়ৰ বাবে "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনেহ" নিম্ন তালিকাত উল্লিখিত তাৰিখত বিক্ৰী কৰা হ'ব। প্ৰতিটো সম্পত্তিৰ বাবে সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা তালিকা মতে হ'ব।

**সুৰক্ষিত সম্পদসমূহৰ সূচী**

| ক্ৰ নং | শাখাৰ নাম / একাউণ্টৰ নাম / ঋণী আৰু জামিনদাৰৰ নাম আৰু ঠিকনা | বন্ধকী থকা স্থাৱৰ সম্পত্তিৰ বিৱৰণ/গৰাকীৰ নাম (সম্পত্তি সমূহৰ বন্ধকদাতা) | ক) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(২) ৰ অধীনত দাবী জাননীৰ তাৰিখ খ) পাবলগীয়া ধন গ) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(৪) ৰ অধীনত দখলীকৰণৰ তাৰিখ ঘ)দখলীকৰণৰ ধৰণ প্ৰতীকী/কায়িক/নিৰ্মাণমূলক | ক) সংৰক্ষিত মূল্য (টকা লাখত) খ) ই এম ডি (ইএমডি জমা দিয়াৰ শেষ তাৰিখ) গ) ডাক বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ তাৰিখ/সময় | চিকিউৰ্ড ক্ৰেডিটৰৰ জ্ঞাত দায়বদ্ধতাৰ বিৱৰণ |
|---|---|---|---|---|---|---|
| ১ | **এমচিচি গুৱাহাটী (৬৫৫৭০০) এআৰএমবি গুৱাহাটী (৮২৩১০০)**<br>মেছাৰ্ছ নিউ শৰ্মা এণ্টাৰপ্ৰাইজেছ (ঋণী), শ্ৰী দেৱ নাথ শৰ্মা, (মৃত), স্বত্বাধিকাৰী শ্ৰীমতী ৰূপা শৰ্মা, জামিনদাৰ আৰু বন্ধকদাতা<br>১. মেছাৰ্ছ নিউ শৰ্মা এণ্টাৰপ্ৰাইজেছ, স্বত্বাধিকাৰীঃ দেৱ নাথ শৰ্মা (মৃত), ঠিকনা ১ঃ এমআৰডি ৰোড, অসম জাতীয় বিদ্যালয়ৰ সন্মুখত, বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১; ঠিকনা ২ঃ ১ম মহলা, ঘৰ নং ৯২, নাৰেংগী হাউছিং কলনী, সেউজী নগৰ, দুৰ্গা মন্দিৰৰ সন্মুখত, নাৰেংগী, গুৱাহাটী, অসম ৭৮১০২৬<br>২. মেছাৰ্ছ নিউ শৰ্মা এণ্টাৰপ্ৰাইজ, স্বত্বাধিকাৰীঃ প্ৰয়াত দেৱ নাথ শৰ্মা, ঠিকনাঃ ২৮, জিএনবি ৰোড, পাণবজাৰ, গুৱাহাটী-৭৮১০০১<br>৩. শ্ৰীমতী ৰূপা শৰ্মা (বন্ধকদাতা আৰু জামিনদাৰ), ঠিকনাঃ ঘৰ নং-৩৯, সোণাই মিকিৰ পথ, সাতগাঁও, উদয়ন বিহাৰ, গুৱাহাটী-৭৮১১৭১<br>৪. প্ৰয়াত দেৱ নাথ শৰ্মা (স্বত্বাধিকাৰী), (তলত উল্লেখিত আইনগত উত্তৰাধিকাৰীসকলৰ জৰিয়তে), শ্ৰীমতী ৰূপা শৰ্মা, আৰু কোনো অজ্ঞাত আইনগত উত্তৰাধিকাৰী থাকিলে তেওঁলোক, ঠিকনা ১ঃ প্ৰয়াত দেৱ নাথ শৰ্মাৰ পত্নী, ঘৰ নং-৩৯, সোণাই মিকিৰ পথ, সাতগাঁও, উদয়ন বিহাৰ, গুৱাহাটী-৭৮১১৭১, ঠিকনা ২ঃ ১ম মহলা, ঘৰ নং ৯২, নাৰেংগী হাউছিং কলনী, সেউজী নগৰ, দুৰ্গা মন্দিৰৰ সন্মুখত, নাৰেংগী, গুৱাহাটী, অসম ৭৮১০২৬ | ভূমি আৰু ভৱনঃ অসমৰ কামৰূপ (মহানগৰ) জিলাৰ দিশপুৰ ৰাজহ চক্ৰৰ অধীনস্থ, বেলতলা মৌজাৰ সাতগাঁও ৰাজহ গাঁৱত অৱস্থিত, কে পট্টা নং ১৩১ (পুৰণি)/৩৯৮ (পুৰণি)/১৯৩৯ (নতুন)ৰ দাগ নং ০৫ (পুৰণি)/২৪ (পুৰণি)/২৯৬৫ (নতুন) অন্তৰ্গত ৮.০৩ আৰ অৰ্থাৎ ৩ কঠা মাটি পৰিমাণৰ সমগ্ৰ ভূমি আৰু তদুপৰি নিৰ্মাণসহ সম্পত্তি, যিটো শ্ৰী দেৱ নাথ শৰ্মাৰ পত্নী ৰূপা শৰ্মাৰ নামত আছে আৰু যাৰ চাৰিসীমা তলত দিয়া ধৰণৰঃ উত্তৰে- পথ, দক্ষিণে- নিজা মাটি, পূবে- দেৱ নাথ শৰ্মাৰ মাটি, পশ্চিমে- নিজা মাটি। (০৯.১১.২০১৫ তাৰিখৰ পঞ্জীয়নভুক্ত বিক্ৰী দলিল নং ১৩১৪৪ /২০১৫ অনুসৰি বিৱৰণ) | ক) ০২.০৭.২০২৫ খ) ৩১.০৩.২০২৫ তাৰিখলৈকে ৩,১৪,২১,৫৫৯.২৪/- টকা আৰু ২৯.১২.২০২৪ তাৰিখৰ পৰা প্ৰযোজ্য পৰৱৰ্তী সুত আৰু অন্যান্য মাচুল গ) ২৪.০৯.২০২৫ ঘ) প্ৰতীকী দখল | ক)২,০৪,০০,০০০.০০/- টকা খ)২০,৪০,০০০.০০/- টকা (১৪.০৯.২০২৬ তাৰিখে বিয়লি ৪ বজালৈ) গ) ০.৫০ লাখ টকা | তাৰিখঃ ১৫০৯.২০২৬ সময়ঃ পুৱা ১১:০০ বজাৰ পৰা বিয়লি ০৪:০০ বজালৈ | বেংকৰ জ্ঞাত নহয় |

**ই-নিলাম বিক্ৰীৰ নিয়ম আৰু চৰ্তাৱলী**

বিক্ৰী প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) নিয়মাবলী, ২০০২ অধীনত উল্লেখিত নিয়মসমূহ আৰু তলত দিয়া অতিৰিক্ত চৰ্তাৱলীসমূহৰ ওপৰত ভিত্তি কৰি কৰা হ'ব ঃ

১. সম্পত্তিসমূহ "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনে" এই ভিত্তিত বিক্ৰী কৰা হ'ব।
২. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়াজনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু এই ঘোষণা বা প্ৰচাৰণাত কোনো ভুল, ভুল বিৱৰণ বা কোনো তথ্য বাদ পৰিলে তাৰ বাবে অনুমোদিত বিষয়াজন দায়ী নহ'ব।
৩. বিক্ৰীটো নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা **https://baanknet.com ৱেবছাইটত উপলব্ধ ই-নিলাম প্লেটফৰ্মৰ মাধ্যমেৰে ১৫.০৯.২০২৬ ৰ লট নং-১ তাৰিখে পুৱা ১১.০০ বজাৰ পৰা বিয়লি** ০৪.০০ বজালৈ সম্পন্ন কৰা হ'ব।
৪. বিক্ৰী সংক্ৰান্তীয় বিস্তৃত নিয়ম আৰু চৰ্তাৱলীসমূহ জানিবলৈ অনুগ্ৰহ কৰি **https://baanknet.com** ৱেবছাইটটো চাওক।
৫. অনুমোদিত বিষয়াজন বা বেংকে সম্পত্তি (ই-নিলাম)ৰ ক্ষেত্ৰত বেংকৰ অজ্ঞাত যিকোনো চৰকাৰী দাবী, কৰ, লিয়েন, বন্ধক, দায়বদ্ধতা বা আন কোনো পাওনা ধনৰ বাবে দায়ী নহ'ব। নিলামত অংশগ্ৰহণ কৰিব ইচ্ছুক বিডাৰসকলক সম্পত্তিৰ ওপৰত থকা সম্ভাব্য সকলো দায়বদ্ধতা, বৈধ বকেয়া, সম্পত্তি কৰ, বিদ্যুৎ মাচুল আদি সম্পৰ্কে নিজাববীয়াকৈ অনুসন্ধান কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।
৬. অনুমোদিত বিষয়াজনে যিকোনো বিড গ্ৰহণ বা সকলো বিড প্ৰত্যাখ্যান কৰাৰ, যদি সেয়া গ্ৰহণযোগ্য নহয়, অথবা কোনো কাৰণ উল্লেখ নকৰাকৈ যিকোনো সময়তে নিলাম স্থগিত, বাতিল, মুলতুবি, বন্ধ বা নিলামৰ চৰ্তাৱলী সংশোধন/পৰিৱৰ্তন কৰাৰ সম্পূৰ্ণ অধিকাৰ সংৰক্ষণ কৰে আৰু এই সম্পৰ্কে তেওঁৰ সিদ্ধান্ত চূড়ান্ত হ'ব।
৭. বিড দাখিল কৰাৰ পূৰ্বে সম্পত্তিখনৰ অৱস্থা আৰু বিৱৰণ সম্পৰ্কে নিজে পৰিদৰ্শন কৰি সম্পূৰ্ণ সন্তুষ্ট হোৱাটো বিডাৰসকলৰ দায়িত্ব হ'ব। আগ্ৰহী বিডাৰে প্ৰদান কৰা বিৱৰণ অনুসৰি দায়িত্বপ্ৰাপ্ত বেংক বিষয়াৰ সৈতে যোগাযোগ কৰি সম্পত্তি পৰিদৰ্শন কৰিব পাৰিব।

**তাৰিখ ঃ ২৭.০৮.২০২৬** — **অনুমোদিত বিষয়া, পাঞ্জাব নেচনেল বেংক, ছিকিউৰ্ড ক্ৰেডিটৰ**